**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 21-01-2026 **Time :** 1100 Hrs.
0000000000

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণলৈ আহিছে। অৱশ্যে আৰক্ষী সেনাবাহিনী আৰু চি আৰ পি এফে অঞ্চলটো অহৰহ নিৰীক্ষণ কৰি আছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত এহেজাৰ ২০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। সেনা বাহিনীয়ে যোৱানিশা অঞ্চলটোত ফ্লেগমাৰ্চ কৰে। ইপিনে, পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে জিলাখনত ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা বলৱৎ হৈ আছে। কোকৰাঝাৰ জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনা অনুসৰি চাৰিজন বা ততোধিক লোকৰ সমাগম নিষিদ্ধ কৰা হৈছে। একেদৰে ধৰ্ণা, পথ, ৰে'ল অৱৰোধ, যিকোনো সমদল, চোকা অস্ত্ৰ লৈ ঘূৰি ফুৰা আদিতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, অতিৰিক্ত সঞ্চালকপ্ৰধান অখিলেশ সিং আৰু বি টি চিৰ আৰক্ষী মহা পৰিদৰ্শক বিবেক ৰাজ সিঙে কালি সন্ধিয়া কোকৰাঝাৰত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে অসম আৰক্ষীৰ অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে বিষয়টো সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ, চি আৰ পি এফ, এছ্ এছ্ বি আৰু সপ্তম আৰক্ষী বাহিনীৰ অধিনায়ককে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত আছিল। ইপিনে, পৰহিৰ ঘটনাত আহত আৰু এজন লোকৰ কালি চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাৰ ফলত এই ঘটনাত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ২লৈ বৃদ্ধি পায়।

ooooooo

অসমত আনুমানিক ৪ লাখ ৮৬ হাজাৰ ৬৯৮ কোটি টকা বিনিয়োগেৰে ১১১ টা আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ হৈ আছে। সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণ অৰ্থাৎ প্ৰগতি শীৰ্ষক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যসূচীৰ অধীনৰ পি এম জি পোৰ্টেলত এই তথ্য প্ৰকাশ কৰা হৈছে। ৰে'লৱে, পথ আৰু ঘাইপথ, শক্তি উৎপাদন আৰু বিতৰণ, তেল আৰু গেছ্, স্বাস্থ্য সেৱা, আৱৰ্জনা আৰু জল ব্যৱস্থাপনাকে ধৰি বিভিন্ন খণ্ডত এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সক্ৰিয় ভূমিকা লৈছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে। ১১১টা প্ৰকল্পৰ ভিতৰত ৮১ হাজাৰ ৮৭১ কোটি টকা ব্যয়সাপেক্ষ ৪৬টা প্ৰকল্প ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু ৬৫টা ৰূপায়ণৰ কাম চলি আছে। ৰে'ল আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্যখনত ৪৫ হাজাৰ ৭৯৩ কোটি টকা ব্যয় সাপেক্ষ ১৫টা প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ইয়াৰে ২৬ হাজাৰ ২৫৭ কোটি টকা ব্যয়সাপেক্ষ সাতটা প্ৰকল্প ৰূপায়ণ কৰা হৈছে আৰু ১৯ হাজাৰ ৫৩৫ কোটি টকা ব্যয়সাপেক্ষ ৮টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে।

ooooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ভাৰত পেভেলিয়নৰ

উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ লগতে তেওঁ গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকতো অংশ লয়। এই বৈঠকত ছিনপছিছ, কোৱালকম, এনালগ ডিভাইচেছ, থাৰ্ম' ফিচাৰ, হনিৱেল আৰু হেংকেল আদি বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে ড০ শৰ্মাই মত বিনিময় কৰে। এই প্ৰতিষ্ঠানসমূহে নিজ নিজ কৰ্মক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰি ৰাজ্যখনত অংশীদাৰিত্ব কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই প্ৰসংগতে তেওঁ জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ সম্ভাব্য সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়েও মন্তব্য কৰে।

অসমত বিনিয়োগ সম্ভাৱনা অন্বেষণ সন্দৰ্ভত আই বি এমৰ উপাধ্যক্ষ গেৰী ক'নৰ সৈতেও মুখ্যমন্ত্ৰীগৰাকী বৈঠকত মিলিত হয়।

০০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰেপৰা অসমত অনুষ্ঠিত হৈছে। চিলাপথাৰত আজি প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠান কিছু সময়ৰ পাছতে অনুষ্ঠিত হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে। এইবাৰ সপ্তমবাৰৰ বাবে ৰাজ্যৰ ধেমাজি জিলাৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অসম ফুটবল সন্থাৰ আমন্ত্ৰণ মৰ্মে জিলাখনৰ দুটা স্থানৰ লগতে ঢকুৱাখনাত দেশৰ শীৰ্ষ পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ১৫ খন গুৰুত্বপূৰ্ণ খেল চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। দিনৰ ১ বজাত অসম আৰু তামিলনাডুৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা। এই প্ৰতিযোগিতা সন্দৰ্ভত আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই এইদৰে কয় -

বাইট

উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। ছটা ছটাকৈ দুটা গোটত ভাগ কৰা, পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**